# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 7-NOV-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি জাগীৰোডৰ চেমিকনডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰে। অসমৰ উদ্যোগিক ক্ষেত্ৰক নতুন ৰূপ দানেৰে সমগ্ৰ অঞ্চলটোত নিয়োগৰ সুযোগ সৃষ্টি কৰিব পৰা এই প্ৰকল্পটো অসমত স্থাপন কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। শ্ৰীমতী সীতাৰমনে অসম আৰু উত্তৰ-পূৱ ভাৰতৰ থলুৱা উদ্যোগী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতেও মত বিনিময় কৰে। জাগীৰোডৰ চেমিকনডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰাৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁক সংগ দিয়ে। অহা বছৰৰ ফেব্ৰুৱাৰীত এই প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। প্ৰকল্পটোৱে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

ইয়াৰ পূৰ্বে বৰঝাৰ বিমান বন্দৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিত্ত মন্ত্ৰী অজন্তা নেওগে তেওঁক আদৰণি জনায়। শ্ৰীমতী সীতাৰমণে আজি সন্ধিয়া উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি উদ্বোধন কৰিব। ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট প্ৰকল্পটো ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে। সকলো বতৰতে কাৰ্যক্ষম হৈ থাকিব পৰা প্ৰকল্পটোত ছহেজাৰ ৮০০ বৰ্গ মিটাৰ এলেকাজুৰি ফেৰী টাৰ্মিনেলৰ ব্যৱস্থা আছে। এই প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

ইপিনে, ব্ৰহ্মপুত্ৰৰ পাৰত সতী ৰাধিকা শান্তি উদ্যান প্ৰকল্পটো ৩২৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে। নতুন আয়ুক্ত ভৱনৰ পৰা কাছাৰী ঘাটলৈ ১ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই উদ্যানখন নিৰ্মাণ কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকিব।

ooooo

ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত বছৰজোৱা বিশেষ স্মৃতিচাৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে। তেওঁ লগতে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ৰাজহুৱা স্থানত বন্দে মাতৰমৰ পূৰ্ণ সংস্কৰণ গোৱা হয় আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকে ইয়াত অংশগ্ৰহণ কৰে।

অসমতো সকলো জিলা আৰু সম-জিলাত দেশ মাতৃৰ প্ৰতি সমৰ্পিত দেশভক্তি আৰু আধ্যাত্মিকতাৰ ভাবেৰে পূৰ্ণ বন্দে মাতৰমৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে গীতটি সমূহীয়াকৈ পৰিৱেশন কৰে। দিছপুৰৰ জনতাভৱন চৌহদত এই উপলক্ষে আয়োজিত ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকী মন্ত্ৰীয়ে এই গীতটি পৰিৱেশন কৰে।

-গীত-

অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশ অনুসৰি, গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠানত আজি শিক্ষাৰ্থীসকলে সমূহীয়াকৈ বন্দে মাতৰম পৰিৱেশন কৰে। চিৰাঙৰ কাজলগাঁৱত জিলা প্ৰশাসনৰ উদ্যোগত কেইবাখনো বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে বন্দে মাতৰম পৰিৱেশন কৰে। মন্ত্ৰী উৰ্খাউ গৌৰা ব্ৰহ্মই এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰী কৃষ্ণেন্দু পালৰ উপস্থিতিত **শ্ৰীভূমি জিলাত** দেশৰ ৰাষ্ট্ৰীয় গীতটো পৰিৱেশন কৰা হয়।

দেশৰ অন্য প্ৰান্তৰ দৰে **বৰপেটা জিলা**তো ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত চৰকাৰী কৰ্মচাৰীসকলৰ লগতে আৰক্ষী প্ৰশাসনৰ লোকসকলে সমূহীয়াকৈ ৰাষ্ট্ৰীয় গীত পৰিৱেশন কৰে। **শিলচৰত জিলা** বিজেপিৰ উদ্যোগত ইটাখনাৰ পৰা বিজেপি কাৰ্যালয়লৈ পদ যাত্ৰা উলিওৱা হয়।

উল্লেখযোগ্য যে, বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে ১৮৭৫ চনৰ সাত নৱেম্বৰত বন্দে মাতৰম ৰচনা কৰিছিল।

০০০০০

ৰাষ্ট্ৰীয় কৰ্কট সজাগতা দিৱস উপলক্ষে আজি মঙলদৈৰ সনাতন ধৰ্মসভা প্ৰাঙ্গনত চলি থকা শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱস্থলীত বিভিন্ন ধৰণৰ কৰ্কট ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। মহিলাৰ স্তন আৰু জৰায়ু মুখৰ কৰ্কট ৰোগকে ধৰি বিভিন্ন কৰ্কট ৰোগৰ লক্ষণ, প্ৰতিৰোধ, চিকিৎসা আদিৰ বিষয়ে ৰাইজক অৱগত কৰোৱা হয়। দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত আয়োজতি এই সজাগতা কাৰ্যসূচীত কৰ্কট চিকিৎসা প্ৰতিষ্ঠানখনৰ চিকিৎসক ডাঃ চহিদুল ইছলামকে ধৰি কেইবাগৰাকীও স্বাস্থ্য কৰ্মীয়ে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত